# এটা নাদৰ দাঁতিত এগৰাকী তিৰোতাই যীচুক লগ পোৱা

## *সাক্ষ্য হোৱাত সাজু হৈ থাকিবলৈ লৰা-ছোৱালীক শিকোৱা*

তেওঁলোকৰ থলুৱা ৰীতি নিয়মত খাপ খুৱাকৈ এই শিক্ষাৰ পৰা কৰিবলগীয়া কামবোৰ বাচি লওক।

**চমৰীয়া তিৰোতা**

**কোনো এগৰাকী বয়সীয়া লৰা/ছোৱালী অথবা শিক্ষকক** যোহন ৪:৪-৪২ৰ পৰা চমৰীয়া তিৰোতা গৰাকীৰ বিষয়ে **পঢ়িবলৈ** বা কবলৈ দিয়ক। এই কাহিনীটোৱে ইয়াকে বুজাইছে যে তেওঁ লগ পোৱা প্ৰতিজন ব্যক্তিকে ঈশ্বৰৰ প্ৰেম, ক্ষমা আৰু অনন্ত জীৱনৰ বিষয়ে কবলৈ কেনেকৈ যীচু প্ৰস্তুত আছিল।



**সম্ভৱ হলে এই ছবিখন লৰা-ছোৱালীক আঁকিবলৈ বা ৰঙ দিবলৈ দিয়ক।**

**প্ৰশ্নবোৰ ঃ** কাহিনীটো বৰ্ণনা কৰাৰ পিছত, এই প্ৰশ্নবোৰ সোধক। *প্ৰতিটো প্ৰশ্নৰ শেষত উত্তৰ দিয়া আছে।*

- নাদৰ দাঁতিত যীচুৱে কি কৰিছিল? *(৬ পদ চাওক)*
- যীচুৱে পানী খাবলৈ খুজোঁতে তিৰোতা গৰাকীয়ে কিয় আচৰিত হৈছিল? *(৯ পদ)*
- যীচুৱে তিৰোতা গৰাকীক কি পানী দিব খুজিলে? *(১৪ পদ)*
- ঈশ্বৰৰ উপাসনা কৰিবলৈ কোনো এক বিশেষ ঠাই থকা উচিত নে? *(২১, ২৪ পদ)*
- তেওঁনো কোন বুলি যীচুৱে কৈছিল? *(২৬ পদ)*
- পথাৰ দাবৰ নিমিত্তে পুৰঠ হোৱা বুলি কওঁতে যীচুৱে কি বুজাইছিল? *(উত্তৰ ঃ যীচুৰ শুভবাৰ্ত্তালৈ সহাঁৰি দিবলৈ অনেক লোকবিলাক প্ৰস্তুত, কিন্তু প্ৰথমে এইকথা আমি তেওঁলোকক কোৱা উচিত।)*

কাহিনীৰ কিছু অংশ **নাট কৰক**। এই চুটী নাটখন পৰিৱেশন কৰিবলৈ সমজুৱা উপাসনা চলাওঁতাৰ লগত ব্যৱস্থা কৰক। নাট খন যুগুত কৰিবলৈ লৰা-ছোৱালীৰ লগত আপোনাৰ সময় দিয়ক।

- **ডাঙৰ লৰা-ছোৱালী** অথবা বয়স্থ সকলক তলত দিয়া ভাওবোৰ দিয়কঃ

  **বৰ্ণনাকাৰী,** কাহিনীটো সংক্ষেপে কয় আৰু কি কব লাগে তাক সোঁৱৰাবলৈ লৰা-ছোৱালীক সহায় কৰে।
  **যীচু** ওচৰতে বহি থাকে, নাদ বুজোৱা হেন থাকে।
  **চমৰীয়া** তিৰোতা মূৰত এটি পানীৰ কলহ

**সৰু লৰা-ছোৱালীক** এইবোৰ ভাও দিয়ক ঃ
**শিষ্যবিলাক** লগত খোৱা আহাৰ
**চমৰিয়া লোকবিলাক**

**যীচু ঃ** "নাদৰ" দাঁতিত বহি থাকে

**বৰ্ণনাকাৰী ঃ** যোহন ৪:১-২৬ ৰ পৰা কাহিনীৰ প্ৰথম অংশ কয়। কয়, "শিষ্যবিলাকে কি কয় শুনা"।

**শিষ্যবিলাক ঃ** "যীচু আপুনি ভাগৰি পৰিছে। যাত্ৰা অতি দীঘলীয়া। ইয়াতে থাকি জিৰণি লওক। আমি চমৰিয়াসকলৰ গাওঁলৈ গৈ আহাৰা আনোঁ।"

**চমৰীয়া তিৰোতা ঃ** পানীৰ পাত্ৰটো লৈ যীচুৰ ওচৰলৈ আগবাঢ়ে।

**যীচু ঃ** "মোক অলপ পানী দিয়া।"

**চমৰীয়া তিৰোতা ঃ** আচৰিত মানে। কয়, "আপুনি যিহূদী। এজনী চমৰীয়া মহিলাৰ পৰা আপুনি কিয় পানী খাবলৈ খুজিছে?

**যীচু ঃ** "মই তোমাক জীৱনময় পানী দিব পাৰোঁ যিহৰ দ্বাৰা তোমাৰ আৰু কেতিয়াওঁ পিয়াহ নালাগিব।"

**চমৰীয়া তিৰোতা ঃ** আচৰিত মনা হেন দেখুৱায় কয়, "আপুনি কেনেকৈ এই কাম কৰিব?"

**যীচু ঃ** "মই মচীহ, ঈশ্বৰৰ মনোনীত জনা।"

**বৰ্ণনাকাৰী ঃ** যোহন ৪:২৭-৩৮ৰ পৰা কাহিনীৰ দ্বিতীয় অংশ কয়। "শিষ্যবিলাকে কি কয় শুনক।"

**শিষ্যবিলাক ঃ** "চোৱাহঁক! যীচুৰ লগত সেই তিৰোতা জনী কোন? তাই তাইৰ পানীৰ পাত্ৰ এৰি গাঁৱলৈ উলটি গৈছে! তাইক বৰ উত্তেজিত দেখা গৈছে! এইয়া, যীচু, কিছু আহাৰ খাওক।

**যীচু ঃ** "মোৰ লগত এক বিশেষ ধৰণৰ আহাৰ আছে। মোৰ আহাৰে ঈশ্বৰক জানিবলৈ মানুহক সহায় কৰে। মানুহক শুভবাৰ্ত্তা কবলৈ সদায় প্ৰস্তুত থাকক।"

**বৰ্ণনাকাৰী ঃ** যোহন ৪:৩৯-৪২ৰ পৰা কাহিনীৰ তৃতীয় অংশ কয়, "চমৰীয়া তিৰোতাজনীয়ে কি কয় শুনক"।

**চমৰীয়া তিৰোতা ঃ** এফালে ৰৈ থকা চমৰীয়া লোকক কয়, "আহাঁ, এই মানুহজনক চোৱাহি। মই কৰা সকলো কথাকে তেওঁ মোক কলে। তেওঁ ঈশ্বৰৰ মনোনীত জনা হব পাৰেনে?"

**চমৰীয়া লোকবিলাক ঃ** "আহাঁ, এই মানুহজনক চাওঁগৈ।" আমিও তেওঁক বিশ্বাস কৰোঁগৈ।"

**বৰ্ণনাকাৰী ঃ** নাটকত সহায় কৰা আটাইকে ধন্যবাদ দিয়ে।

যদিহে লৰা-ছোৱালীয়ে নাটখন বয়স্থ সকলৰ নিমিত্তে কৰিছে, তেন্তে ওপৰৰ তালিকাত দিয়া প্ৰশ্নবোৰকে তেওঁলোককো সুধিবলৈ দিয়ক। বৰ্ণনাকাৰীয়ে এইদৰেও সুধিব পাৰে, "যীচুক সহাঁৰি জনোৱা মানুবহিলাকৰ আন উদাহৰণবোৰ কি?" (মানুহ বিলাকক উদাহৰণ দিবলৈ কওক।)



**এটা নাদৰ ছবি এখন আঁকক।** লৰা-ছোৱালীক ছবিখন চাই আঁকিবলৈ কওক। পিছৰ উপাসনাত সিহঁতে ছবিখন বয়স্তসকলক দেখুৱাই ইয়াৰ বৰ্ণনা কৰিব পাৰে। এই ছবিয়ে ইয়াকে বৰ্ণনা কৰিছে যে যিকোনোৱে ইয়াক গ্ৰহণ কৰিবলৈ ইচ্ছা কৰে, তেওঁক ঈশ্বৰে তেওঁৰ জীৱনময় জল দিবলৈ সদায় সাজু আছে।

**মুখস্থ কৰক ঃ** কলচীয়া ৪:৩।

**কবিতা মুখস্থ মাতা ঃ** গীতামালা ১৯:১-৪ পদ কেইটা চাৰিগৰাকী লৰা-ছোৱালীক মুখস্থ কবলৈ দিয়ক। বয়স্থ সকলকো তেওঁলোকে এই পদকেইটা আওঁৰাই শুনাব পাৰে।

**প্ৰাৰ্থনা ঃ** প্ৰভু, আমি সুখী যে আমি য'তে থাকোঁ তাতে আপোনাৰ উপাসনা কৰিব পাৰোঁ। সকলো ভাষা আৰু সংস্কৃতিৰ লোকক আপুনি ভাল পায়। সকলো জাতিলৈ শুভবাৰ্ত্তা নিবলৈ আমাক পঠোৱা বাবে আপোনাক ধন্যবাদ। আমাৰ চাৰিওদিশে থকা লোকবিলাকে আপোনাৰ শুভবাৰ্ত্তাৰ প্ৰতি সহাঁৰি জনোৱাত যুগুত থকা বুলি সোঁৱৰণ কৰিবলৈ আমাক সহায় কৰক। তেওঁবিলাকক কবলৈ আমাক বিশ্বাসী হবলৈ সহায় কৰক।

Copyright © 2004 by Paul-Timothy. Download Paul-Timothy studies freely from www.Paul-Timothy.net.